بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ نَحْمَدُهٗ وَنُصَلِّى عَلٰى رَسُوْلِهِ الْكَرِيْمِ وَعَلٰى عَبْدِهِ الْمَسِيْحِ الْمَوْعُوْد

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ২২ মে তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইনত ) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়াহদাহু লাশ্বাৰিকালাহু ওয়া আশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওয়া ৰাছুলুহু - আম্মা বাদু ফাউজুবিল্লাহ হিমিনা শ্বায়তানিৰ ৰাজিম - বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম - আলহামদু লিল্লাহি ৰাববিল আলামিন-আৰ ৰাহমানিৰ ৰাহিম- মালিকি ইয়াও মিদ্দিন - ইয়াকানা বুদু ওয়া ইয়া কানাছ তাঈন- ইহদিনা ছিৰাতাল মুছতাকিম- ছিৰাতাল্লাজিনা আন-আমতা আলায়হিম গায়ৰিল মাগজুবি আলায়হিম ওয়ালাজ্জালিন।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - সৰ্বপ্ৰথমে মই সেই সকল আহমদীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো যি সকলে মই আঘাত প্ৰাপ্ত হোৱাত অসাধাৰণ ব্যাকলতা প্ৰকাশ কৰিছে আৰু বৰ বেদনা ভৰা হৃদয়েৰে দোৱা কৰিছে। আল্লাহ তায়ালা আপোনালোকক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক, একাগ্ৰতা, আনুগত্য আৰু বিশ্বাসত আগবঢ়াই লৈ যাওঁক। বৰ্তমান যুগত আল্লাহ তায়ালাৰ নিমিত্তে আৰু আল্লাহৰ নিৰ্দেশ অনুযায়ী এনেকুৱা পাৰস্পৰিক প্ৰেম আৰু খলিফা ওয়াক্তৰ প্ৰতি আনুগত্যৰ উদাহৰণ আৰু একমাত্ৰ জামাত আহমদীয়াৰ মাজতহে দেখিবলৈ পোৱা যায়। এনেকুৱা দুফলীয়া প্ৰেমও আল্লাহ তায়ালাৰেই দান। ইয়াত এয়া গম পোৱা নেযায় যে কোনে বেছি আনৰ বাবে মৰমীয়াল বা বেদনা ৰাখে। যিয়েই নহওঁক এয়া এনেকুৱা এটা সম্পৰ্ক, যাৰ উদাহৰণ জাগতিক সম্পৰ্কৰ মাজত বিচাৰি পোৱা নাযায়। মোৰ এই আঘাতৰ পৰিপ্ৰেক্ষিতে মই যি অভিজ্ঞতা লভিছো মই বৰ্ণনা কৰি আছো, মলমে ঈছা নামক দৰৱ মই ব্যৱহাৰ কৰিছো। কেলেনডোলা হোমিও প্যাথি ক্ৰীমও ব্যৱহাৰ কৰিছো। কিন্তু আচল কৃপা হ'ল আল্লাহ তায়ালাৰ, তেওঁৰেই আৰোগ্য দাতা। মুঠতে এয়া দোৱা কৰিব যাতে এই আঘাতৰ অন্যান্য প্ৰতিক্ৰিয়া আল্লাহ তায়ালা দূৰ কৰে। বৰ্তমানে আমি যি অৱস্থাৰ মাজেৰে দিনাতি পাত কৰি আছোঁ ইয়াত আল্লাহ তায়ালাৰ আগত আমি বিশেষ ভাৱে নতশীৰ হোৱাৰ প্ৰয়োজন পৰিছে। বৰ্তমান অৱস্থাত জমাত আহমদীয়াৰ মাজত আল্লাহ তায়ালাৰ প্ৰতি বিশেষ ভাৱে অৱনত হবলৈ মনযোগ উপজিছে। আল্লাহ তায়ালাৰ ওপৰত ঈমান বৃদ্ধি পাই আছে। আল্লাহ তায়ালাৰ অশেষ কৃপা যে এনে সময়ত ৰমজান আহি গৈছে আৰু ইবাদতৰ প্ৰতি আগ্ৰহ জন্মিছে। মুঠতে আগতকৈ বেছি মানুহৰ মন ইবাদতৰ প্ৰতি ঢাল খাইছে। এতিয়া ৰমজান মাহৰ প্ৰায় অন্ত পৰি আহিল আৰু লগে লগে কিছু পৰিমানে লক ডাউনও শিথিল হৈ আহি আছে। কিন্তু আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল যি প্ৰত্যেক আহমদীয়ে মনত ৰখা উচিত হব যে আল্লাহ তায়ালাৰ যি ইবাদত আৰু নেকি সকলোৱে নিজৰ কৰি লৈছে সেয়া যেন আকৌ ব্যৱসায়ৰ অনুমতি পোৱাত, বাহিৰলৈ যোৱাৰ সুবিধা পোৱাত, আৰু ৰমজান শেষ হোৱাত কমি নাহে বা শেষ হৈ নাযায়। বৰং এয়া নেকি আৰু বাজামাত নমাজ যেন মছজিদলৈ যোৱাৰ অনুমতি নহালৈকে ঘৰতে সুচাৰুৰূপে জাৰি ৰখা হয়। যেতিয়া মছজিদলৈ যোৱাৰ অনুমতি আহি যাব তেতিয়া আগতকৈ বেছি সুন্দৰকৈ মছজিদ আবাদ ৰখাৰ চেষ্টা কৰিব আৰু এয়া নিজৰ ওপৰত ফৰজ বনাই লব। মহিলা সকলে নিজৰ ঘৰতে নমাজৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগিব যাতে লৰা-ছোৱালীয়ে এই আদৰ্শ দেখি, সিহঁতেও নিজৰ ঈমান আৰু বিশ্বাস আল্লাহ তায়ালাৰ ওপৰত স্থাপন কৰিব পাৰে। ঘৰতেই নমাজৰ পিছত কিছু সময় দৰছ (পাঠ)ৰ ছিলছিলা জাৰি ৰাখঁক। যাতে দ্বীনি শিক্ষা বৃদ্ধি পায় আৰু জ্ঞান, মাৰিফত (আধ্যাত্মিকতা) বৃদ্ধি পায়। এনেদৰে এম-টি-এৰ প্ৰোগ্ৰাম সমুহ দেখিবলৈ মনোযোগ দিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - বৰ্তমানে কিছু সংখ্যক লোকে হজৰত খলিফাতুল মছিহ ৰাবে (ৰহঃ) ৰ এখন লিপি "হওৱাদাছ তাবিঈ ইয়া আযাবে ইলাহি"ক এই বিযপি যোৱা ক'ৰণা ভাইৰাচৰ লগত মিলাব খুজিছে। হজৰত মছিহ মাওউদ (আইঃ)ৰ যুগৰ পিছত বিপদ, দূৰ্যোগ, মহামাৰীৰ সংখ্যা বাঢ়ি গৈ আছে। এই বিষয়ে হজৰত মছিহ মাওউদ (আইঃ)য়ে স্পষ্ট ভাৱে কৈছে যে - এইবোৰ আহিব আৰু ধ্বংসলীলা সংগঠিত হব। কিন্তু সেই দূৰ্যোগবোৰৰ প্ৰতিক্ৰিয়া প্ৰতিফলিত হোৱাৰ আচল বস্তুবোৰ হব এয়া যে সেই বিপদে দুনীয়াদাৰ সকলক আগুৰি ধৰিব। দুনীয়াদাৰ সকলক শান্তি, প্ৰজ্ঞা হেৰাই যাব, ডাঙৰ ডাঙৰ সম্ৰাজ্যৰ আৰ্থিক আৰু শাসন প্ৰণালী ভাঙি পৰিব আৰু ইয়াৰ প্ৰভাৱত তেওঁলোকে নিজৰ জনগণৰ মন আকৰ্ষণ কৰিবলৈ যি চেষ্টা কৰিব সেয়া ওলটি বিপদজ্জনক ৰূপ ধাৰণ কৰিব আৰু সেই পৰিস্থিতিয়ে

তেওঁলোকক যুদ্ধ আৰু আৰ্থিক সংকটৰ গ্ৰাসলৈ ঠেলি দিব। গতিকে যেতিয়ালৈকে এওঁলোকে নিজৰ মাজত এনেকুৱা কোনো পৰিবৰ্তন সাধন নকৰিব যে যাৰ দ্বাৰা বিবাদৰ অনুশীলনী দুৰ হয় তেতিয়ালৈকে এটাৰ পিছত এটাকৈ ধংসৰ কৰাল গ্ৰাসত এওঁলোকে নিজে নিজেই গ্ৰাস হৈ যাব। ধৰ্মীয় ভুলৰ প্ৰতিফল কিয়ামতৰ দিনা উপলব্দ হ্ব। কিন্তু কাজিয়া বিবাদ আৰু অধিকাৰ আত্মসাৎ কৰা আৰু খোদা তায়ালাৰ ভৃত্যক উপলুঙা কৰা আদি কাৰ্যই মানুহক অদীৰ কৰি দিয়া ধংসলীলা কঢ়িয়াই আনে। আমাৰ কাম হ'ল দোৱা কৰা, আৰু জগতক বুজাই দিয়া আৰু নিজৰ অৱস্থাত পাক পৰিবৰ্তন সাধন কৰা। হজৰত খলিফাতুল মছিহ ৰাৱে (ৰহঃ)ৰ যি লিপিৰ কথা মই কৈছো - তাত জমাত আহমদীয়াৰ বাবে এয়া আদেশ লিপিবদ্ধ আছে যে কেৱল আহমদীয়ত নামটো বচাঁই ৰখাটোৱে যথেষ্ট নহয় বৰং ইয়াৰ লগত তাকওয়াৰ চৰ্ত সংলগ্ন আছে। ইয়াৰ লগত সুসংবাদ অংশটো হ'ল এয়া যে জমাতত যি আমলৰ দুৰ্বলতা আহিব সেয়া দ্ৰুত বেগে সংশোধন কৰি লোৱাৰ চেষ্টা আহমদী সকলে কৰি লব। গতিকে বৰ্তমানে যি ক্ৰুটি বিহীন মনযোগ উপজিছে সেয়া প্ৰতিষ্ঠিত ৰাখঁক আৰু নিজে লগতে নিজৰ লৰা-ছোৱালী সকলকও হককুল্লাহ ইবাদ আদায়ৰ ফালে মন দিয়ক। কাৰণ জগতত ধংসলীলা সংগঠিত হোৱাৰ পিছত যেতিয়া খোদা তায়ালাৰ ফালে, আৰু তাৰ হ'ক আদায়ৰ ফালে জগতৰ দৃষ্টি নিক্ষেপ হব তেতিয়া মানুহে জমাতৰ ফালে আগবাঢ়িব আৰু আহমদী হব, যিয়ে জগতখনক সজবাটৰ সন্ধান দিব পাৰিব। কিন্তু ইয়াৰ আগতে আমি অতি বেদনাৰ সৈতে এয়া দোৱা কৰিব লাগিব যে তেনে ধ্ৰৱণৰ বিপদ যেন উপস্থিত নহয় আৰু যেন জগতখন সেই সীমালৈ আগবাঢ়ি নাযায় যে য'ৰ পৰা পোহৰ আৰু শান্তি, নিৰাপদলৈ ওভতি অহাৰ বাট বন্ধ হৈ যায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - গতিকে আমাৰ বাবে তাতেই আছে কল্যাণ যে আমি আঁহজৰত (ছাঃ)ৰ সত্য প্ৰাণ দাসৰ শৰণ লৈ (বয়াত)লৈ তেখেত (ছাঃ)ৰ প্ৰকৃত অনুসাৰী সকলৰ মাজত অন্তৰভূক্ত হওঁ। নিজৰ নমাজৰ প্ৰতি ধ্যান আৰু মনোযোগৰ জন্ম দিওঁ। আল্লাহ তায়ালা আৰু তাৰ ৰছুলৰ আদেশ অনুযায়ী চলি সদায় নিজৰ জীৱনৰ দিন বিলাক আমি পাৰ কৰোঁতা হওঁ। “আছিৰানে ৰাহে মওলা”ৰ বাবে দোৱা কৰিব। আল্লাহ তায়ালা আমাৰ প্ৰত্যেককে তৌফিক দান কৰক, আমি যেন হজৰত মছিহ মাওউদ (আইঃ)ৰ আগমনৰ প্ৰকৃত উদ্দেশ্যখিনি ভালদৰে বুজি পাওঁ। আল্লাহ আৰু তাৰ ৰছুল হজৰত খাতামুল আম্বিয়া মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ প্ৰেম যেন সকলো প্ৰেম ভালপোৱাৰ ওপৰত বিজয়ী থাকে। আমি যেন ইছলামৰ প্ৰকৃত শিক্ষাৰ ওপৰত আমল কৰোঁতা হওঁ। আমাৰ ঘৰখন যেন প্ৰেম ভালপোৱা আয়না স্বৰূপ হয়। সকলো ওয়াকফে জিন্দগী সকলৰ বাবে দোৱা কৰিব, ওয়াকফে নও সকলৰ বাবে দোৱা কৰিব। আল্লাহ তায়ালা নিজক আৰু নিজৰ মাক-দেউতাৰ শপত পূৰ্ণ কৰাৰ তৌফিক দান কৰক। আহমদী শ্বহীদ সকলৰ আৰু তেওঁলোকৰ বংশধৰ সকলৰ বাবে দোৱা কৰিব। পৰস্পৰে পৰস্পৰৰ বাবে দোৱা কৰিব। নিজৰ বাবে, লৰা-ছোৱালীৰ বাবে, আত্মীয় স্বজনৰ বাবে দোৱা কৰিব। বৰ্তমান পৰিস্থিতত আৰু ইয়াৰ পিছত পৃথিবীৰ অৰ্থনৈতিক অৱস্থা যি ফালে গতি কৰিব তাৰ ক্ষতিকাৰক প্ৰভাৱৰ পৰা সকলো আহমদীক নিৰাপদ থকাৰ বাবে বেছি বেছি দোৱা কৰিব। জমাতৰ কাম আৰু পৰিকল্পনা সমুহত যাতে বাধাৰ সৃষ্টি নহয়, জমাতৰ উন্নতি আৰু ধনমাল কোৰবানী কৰোঁতা সকল আদিলৈ দোৱা কৰিব। এম-টি-এৰ কৰ্মী সকললৈ দোৱা দোৱা কৰিব। বিশ্বব্যাপি ইছলামৰ প্ৰতি দোৱা কৰিব, এওঁলোক সকলোৱে মাজত থকা বিবাদ যেন অন্ত পৰে আৰু শান্তিৰে যেন বসবাস কৰিব পাৰে। ইছলামৰ বিৰুদ্ধবাদী সকলৰ চয়তানীৰ পৰা আল্লাহ তায়ালা এওঁলোকক নিৰাপদ ৰাখঁক। কিছুমান দোৱা মই পঢ়াৰ সময়ত আপোনালোকেও মোৰ লগত মিলাই পঢ়িব। “আল্লাহুম্মা ইন্না নাজআলুকা ফি নহুৰিহিম ওয়া নাউযুবিকা মিন শুৰুৰিহিম” তোমাৰ ভয় সিহঁতৰ হৃদয়ত ভৰাই দিয়া, অৰ্থ্যাৎ তোমাৰ ভয়াবহতা তেওঁলোকৰ বুকুত সঞ্চাৰিত কৰা, আমি সিহঁতৰ চয়তানীৰ পৰা তোমাৰ আশ্ৰয় বিচাৰো। “লা ইলাহা ইল্লাল্লাহুল আজিমুল হালিম লা ইলাহা ইল্লাল্লাহু ৰাববাছ ছামাওয়াতি ওয়া ৰাববুল আৰজি ওয়া ৰাববুল আৰশ্বিল আজিম, লা ইলাহা ইল্লাল্লাহু ৰাববুছ ছামাওয়াতি ওয়া ৰাববুল আৰজি ওয়া ৰাববুল আৰশ্বিল কৰিম” আল্লাহ ব্যতিত কোনো উপস্যা নেই, আৰু তেওঁৱেই পৰাক্ৰমী আৰু বৰ কৃপালু কৰুণাময়ী, আল্লাহৰ বাহিৰে কোনো উপস্যা নাই, তেওঁৱেই আৰচৰ পালন কৰ্তা, আল্লাহৰ বাহিৰে কোনো উপস্যা নাই, যিজনাই হ'ল আকাশ আৰু মৰ্ত্যৰ আৰু আৰচ কৰিমৰ পালন কৰ্তা। “ইয়া মুকাল্লিবুল কুলুবি ছাববিত কালবি আলা দ্বিনিকা” হে হৃদয় আকৰ্ষণ কৰোঁতা, মোৰ হৃদয় তোমাৰ দ্বীনৰ ওপৰত প্ৰতিষ্ঠিত ৰাখা। “আল্লাহুম্মা ইন্নি আছ আলুকাল হুদা ওয়াত্ত্বাকা ওয়াল আফাফা ওয়াল গিনা” হে আল্লাহ মই তোমাৰ পৰা হিদায়েত, তাকওয়া,পবিত্ৰতা আৰু স্বচ্ছলতা বিচাৰো। “আল্লাহুম্মা ইন্নি আউজুবিকা মিন জুৱালি নিয়ামাতিনা ওয়া তুহাবুল আফিয়াতিকা ওয়া ফুজ্জাতান হিকমাতিকা ওয়া জামিয়ান দুখাতিকা” হে আল্লাহ মই তোমাৰ নিয়ামত পতনমূখী হোৱা, তোমাৰ দয়া দূৰ হোৱা, তোমাৰ হঠাতে উপস্থিত হোৱা শাস্তি, এই সকলোবোৰৰ পৰা, তোমাৰ অসন্তুষ্ট জনৰ পৰা, তোমাৰ আশ্ৰয় বিচাৰো। “ৰাববানা জালামনা আনফুছানা ওয়া ইল্লাম তাগফিৰলানা ওয়া তাৰহামনা লানাকুনান্না মিনাল খাছিৰিন” হে আমাৰ পালন কৰ্তা আমি আমাৰ প্ৰাণৰ ওপৰত নিপীড়ন কৰি আছো, যদি তুমি আমাক ক্ষমা নকৰা আৰু আমাক কৃপা নকৰা তেন্তে নিশ্চয় আমি

ক্ষতিগ্ৰস্ত সকলৰ মাজত অন্তৰ্ভূক্ত হ'ম। "ৰাববানা লাতুজিগ কুলুবানা বাদা ইজ হিদায়তানা ওয়া হাবলানা মিল্লা দুনকা ৰাহমাতান ইন্নাকা আনতাল ওয়াহাব" হে আমাৰ পালন কৰ্তা আমাক হিদায়েত দিয়াৰ পিছত আকৌ আমাৰ হৃদয় মেৰপাকত নেপেলাবা, আৰু আমাক তোমাৰ দয়া বৰ্ষণ কৰা, নিশ্চয় তুমি অসীম দাতা। "ৰাববানা আতিনা ফিদ্দুনিয়া হাছানাত ওয়াফিল আখিৰাতি হাছানাত ওয়া কিনা আযাবান্নাৰ" অৰ্থ্যাৎ হে আমাৰ পালনকৰ্তা আমাক ইহ জগতত কৃতকাৰ্যতা দান কৰা আৰু আখেৰাতেও কৃতকাৰ্যতা দান কৰা আৰু আমাক অগ্নিৰ শাস্তিৰ পৰা ৰক্ষা কৰা।

হজৰত মছিহ মাওউদ (আঃ)ৰ এটা দোৱাৰ তৰজমা এনেধৰণৰ হে ৰাববুল আলামিন (বিশ্বজাহানৰ প্ৰতিপালক) মই তোমাৰ অনন্ত কৃপাৰ শলাগ লবলৈ অক্ষম, তুমি অসীম দাতা আৰু দয়ালু, মোৰ ওপৰত তোমাৰ অনন্ত কৃপা বৈ আছে। গোনাহ ক্ষমা কৰি দিয়া যাতে মই ধংস হৈ নাযাওঁ। মোৰ হৃদয়ত তোমাৰ একনিষ্ঠ প্ৰেম ঢালি দিয়া যাতে মই জীৱন অমৃত লাভ কৰিব পাৰো আৰু মোক আবৃত কৰি লোৱা আৰু মোৰ দ্বাৰা এনেকুৱা আমল সাধন কৰোৱা, যাৰ ওপৰত তুমি সন্তুষ্ট হোৱা। মই তোমাৰ অজহিয়া কৰিমৰ সৈতে এই বিষয়েও আশ্ৰয় বিচাৰো যে তোমাৰ ক্ৰোধ যেন মোৰ ওপৰত বৰ্ষিত নহয়। দয়া কৰা, দয়া কৰা,দয়া কৰা, আৰু জগত আখিৰাতৰ বিপদৰ পৰা মোক ৰক্ষা কৰা, কাৰণ প্ৰত্যেক ধৰণৰ ফজল ও কৰম তোমাৰ হাতত আছে। (আমিন)

"আল্লাহুম্মা ছাল্লি আলা মুহাম্মাদিওঁয়া আলা আলি মহম্মদ কামা ছাল্লায়তা আলা ইব্ৰাহিমা ওয়া আলা আলি ইব্ৰাহিমা ইন্নাকা হামিদুম মাজিদ। আল্লাহুম্মা বাৰিক আলা মুহাম্মাদিওঁয়া আলা আলি মহম্মদ কামা বাৰাকতা আলা ইব্ৰাহিমা ওয়া আলা আলি ইব্ৰাহিমা ইন্নাকা হামিদুম মাজিদ"।

আল্লাহ তায়ালা এই ৰমজান মাহত যি সজ (নেক) কাম আমি কৰিছো আৰু যি পাক পৰিবৰ্তন আমি সাধন কৰিছো সেয়া আমাৰ মাজত জাৰি ৰাখক আৰু দোৱা সমুহ আমাৰ বাবে গৃহীত কৰক। (আমিন)

"আলহামদু লিল্লাহি নাহমাদুহু ওয়া নাছতাঈনুহু ওয়া নাছতাগফিৰুহু ওয়ানু মিনু বিহি ওয়া নাতাওয়াক্কালু আলায়হি ওয়া নাউজুবিল্লাহি মিন শুৰুৰি আনফুছিনা ওয়া মিন ছাইয়ে আতি আমালিনা মাই ইয়াহ দিহিল্লাহু ফালা মুজিল্লাল্লাহু ওয়া মাই-ইউজ লিলহু ফালা হাদিয়ালাহু ওয়া নাশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়া নাশ্বহাদু আন্না মুহাম্মাদান আবদহু ওয়া ৰাছুলুহু,

ইবাদাল্লাহি ৰাহিমুকুমুল্লাহি ইন্নাল্লাহা ইয়ামুৰুবিল আদলি ওয়াল ইহছানি ওয়া ইতাইজিল কুৰবা ওয়া ইয়ানহা আনিল ফাহশায়ি ওয়াল মুনকাৰি ওয়াল বাগি ইয়াইজুকুম লা-আল্লাকুম তাজাক্কাৰুনা উজকুৰুল্লাহ ইয়াজ কৰুকুম ওয়াদ উহু ইয়াছ তাজিবলাকুম ওয়ালা জিকৰুল্লাহি আকবাৰ"।

**Assamese Khulasa Khutba Jumma Huzoor Anwar 22 May 2020**
**(BOOK POST PARINTED MATTER)**

**To**

---------------------------------------------------------------------------

---------------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844